অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/প্ৰ/০৩/০৪/২০২১
Ref :

তাৰিখ ঃ ২৭-০৫-২০২১
Date :

# জাননী

ইয়াৰ দ্বাৰা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমূহ জিলা সমন্বয়ৰক্ষী সমিতিৰ জ্ঞাতাৰ্থে জনোৱা হ'ল যে ২০২১ বৰ্ষৰ এজবেক শিক্ষক প্ৰশিক্ষণ জুন মাহৰ ২৩ তাৰিখৰ পৰা অনুষ্ঠিত কৰা হ'ব। প্ৰশিক্ষণৰ বিষয় অনুসৰি বিতং সময়সূচী ২৮ মে'ৰ ভিতৰত জনোৱা হ'ব।

সন্মানীয় জিলা সমিতিৰ কৰ্মকৰ্তাসকললৈ বিনম্ৰ অনুৰোধ যাতে তেখেতসকলে নিজৰ নিজৰ জিলাৰ প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিবলগীয়া শিক্ষকসকলৰ নামৰ তালিকা (বিষয়ভিত্তিক) এজবেকলৈ ৪ জুনৰ ভিতৰত পঠিয়ায়। তালিকাসমূহ প্ৰস্তুত কৰোঁতে তলত উল্লেখ কৰা দিশসমূহত গুৰুত্ব দিবলৈ অনুৰোধ জনালোঁ।

১। এখন বিদ্যালয়ৰ প্ৰতিটো বিষয়ৰ এগৰাকী শিক্ষকৰহে নাম অন্তৰ্ভুক্ত কৰিব।

২। প্ৰশিক্ষাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত পূৰ্বতে প্ৰশিক্ষণ নোলোৱা শিক্ষকক অগ্ৰাধিকাৰ দিব।

৩। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঠদান কৰা শিক্ষকৰ নাম অন্তৰ্ভুক্ত কৰিব।

এই প্ৰশিক্ষণত প্ৰতিটো বিষয়ৰ কেনেধৰণৰ বিষয়বস্তু অন্তৰ্ভুক্ত কৰিলে ভাল হয় সেই সম্পৰ্কে আপোনালোকৰ কিবা পৰামৰ্শ থাকিলে ৩ জুনৰ ভিতৰত এজবেকলৈ ই-মেইল অথবা এজবেকৰ হোৱাট্ছএপ গ্ৰুপত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

তদুপৰি আপোনালোকৰ জিলাসমিতিৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ শিক্ষকসকলৰ, প্ৰশিক্ষণ হ'বলগীয়া বিষয়সমূহৰ (প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ) পাঠ্যপুথিভিত্তিক কিবা প্ৰশ্ন থাকিলে প্ৰশ্নসমূহ লিখিত ৰূপত জুন মাহৰ ৭ তাৰিখৰ ভিতৰত এজবেকলৈ প্ৰেৰণ কৰিবলৈ আহ্বান জনালোঁ। প্ৰশ্নসমূহ পঠিয়াওঁতে বিদ্যালয়ৰ নাম, বিষয়, শ্ৰেণী, পাঠৰ নাম উল্লেখ কৰিব লাগিব।

**ই-মেইল : ajbecghy@gmail.com**
**ৱেবছাইট : www.ajbec.com**

শ্ৰদ্ধাৰে

অপৰাজিতা দত্ত
(অপৰাজিতা দত্ত)
সমন্বয়ক
এজবেক, শিক্ষক প্ৰশিক্ষণ